# ভূগােলৰ অধ্যয়ন – আহিলা

## অনুশীলনী

**প্ৰশ্ন ১। তলৰ প্ৰশ্নবােৰৰ চমু উত্তৰ লিখা—**

**( ক ) মানচিত্ৰৰ মাপনী কাক বােলে ?**

**উত্তৰঃ** ভূ – পৃষ্ঠৰ দুখন ঠাইৰ মাজৰ দূৰত্ব আৰ মানচিত্ৰৰ সেই ঠাই দুখনৰ দূৰত্বৰ অনুপাতেই হ'ল মাপনী ।

**( খ ) মাপনী কেই প্ৰকাৰৰ ?**

**উত্তৰঃ** মাপনী দুই প্ৰকাৰৰ । [ বি.দ্ৰ . :- সাধাৰণতে মাপনী তিনি প্ৰকাৰৰ । যেনে— ভাষিক মাপনী , নিৰূপক ভগ্নাংশ আৰু ৰৈখিক মাপনী ]

**( গ ) গােলকৰ তুলনাত মানচিত্ৰৰ সুবিধাবােৰ কি কি ?**

**উত্তৰঃ** গােলকৰ তুলনাত মানচিত্ৰত সুবিধাবােৰ বেছি । যেনে—

( ১ ) গােলকত পৃথিৱীৰ সকলাে বস্তু একেলগে স্পষ্টকৈ দেখুৱাবলৈ অসুবিধা । কিন্তু মানচিত্ৰত একো একোখন ঠাইৰ সকলােবােৰ বস্তু স্পষ্টকৈ দেখুৱাব পাৰি ।

( ২ ) গােলকটো এঠাইৰ পৰা আন এঠাইলৈ কঢ়িয়াই নিবলৈ অসুবিধা । কিন্তু মানচিত্ৰবােৰ কঢ়িয়াই নিবলৈ অসুবিধা নহয় ।

**( ঘ ) মানচিত্ৰ আৰু নক্সাৰ মাজত পাৰ্থক্য কি ?**

**উত্তৰঃ** মানচিত্ৰ আৰু নক্সাৰ মাজত পাৰ্থক্য হল—

( ১ ) মানচিত্ৰত সৰু মাপনী ব্যৱহাৰ কৰা হয় ; আনহাতে নক্সাত ডাঙৰ মাপনী ব্যৱহাৰ কৰা হয় ।

( ২ ) মানচিত্ৰত এটা অঞ্চলত থকা এটা ঘৰৰ কোঠাবোৰৰ দীঘ – প্ৰস্থ আদি সৰু মাপনীৰে দেখুৱাব নোৱাৰি । আনহাতে ঘৰ – দুৱাৰৰ আৰ্হিবোৰ নক্সাৰ সহায়ত দেখুওৱা হয় ।

**( ঙ ) সাংকেতিক চিহ্ন কাক বোলে ?**

**উত্তৰঃ** প্ৰাকৃতিক বস্তু আৰু মানুহে সজা বস্তুবোৰ মানচিত্ৰ উপস্থাপন কৰিবলৈ কিছুমান বিশেষ চিন ব্যৱহাৰ কৰা হয় । এই চিনবোৰকে সাংকেতিক চিহ্নবুলি কোৱা হয় ।

**প্ৰশ্ন ২। শুদ্ধ উত্তৰটো বাছি উলিওৱা –**

**( ক ) যাতায়াত দেখুওৱা মানচিত্ৰ কোন বিধৰ ?**

( ১ ) ৰাজনৈতিক ।

( ২ ) বিষয়ভিত্তিক ।

( ৩ ) প্ৰাকৃতিক ।

**উত্তৰঃ** ( ২ ) বিষয়ভিত্তিক ।

**( খ ) মানচিত্ৰত দিশ দেখুওৱা কাঁড় চিনডালে কোনটো দিশ দেখুৱায় ?**

( ১ ) পূৰ্ব ।

( ২ ) উত্তৰ ।

( ৩ ) দক্ষিণ ।

**উত্তৰঃ** ( ২ ) উত্তৰ ।

**( গ ) নদী বা জলভাগ দেখুৱাবলৈ মানচিত্ৰত কি ৰং ব্যৱহাৰ কৰা হয় ?**

( ১ ) মুগা ।

( ২ ) সেউজীয়া ।

( ৩ ) নীলা ।

**উত্তৰঃ** ( ৩ ) নীলা ।

**( ঘ ) তলৰ কোনটোত মাপনীৰ প্ৰয়াোজন নাই ?**

( ১ ) মানচিত্ৰত ।

( ২ ) আৰ্হিচিত্ৰত ।

( ৩ ) নক্সাত ।

**উত্তৰঃ** ( ২ ) আৰ্হিচিত্ৰত ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**( ক ) তলৰ প্ৰশ্নবাোৰৰ অতি চমুকৈ উত্তৰ দিয়া ।**

প্ৰশ্ন ১। ভূচিত্ৰাৱলী কি ?

**উত্তৰঃ** মানচিত্ৰ অধ্যয়নৰ কিতাপখনক ভূচিত্ৰাৱলী বুলি কোৱা হয় ।

প্ৰশ্ন ২। মানচিত্ৰ শব্দৰ অৰ্থ কি ?

**উত্তৰঃ** ' মান ' মানে ' জোখ ' আৰু ' চিত্ৰ ' মানে ছবি । অৰ্থাৎ জোখ – মাপ কৰি আঁকা ছবি ।

প্ৰশ্ন ৩। আৰ্হি চিত্ৰ কি ?

**উত্তৰঃ** মাপনী ব্যৱহাৰ নকৰাকৈ কোনাো এটা অঞ্চলত ক'ত কি আছে সেইবাোৰ দেখুৱাই কাগজত অংকন কৰা চিত্ৰকে আৰ্হি চিত্ৰ বাোলে ।

প্ৰশ্ন ৪। নক্সা কি ?

**উত্তৰঃ** মানচিত্ৰত ডাঙৰ মাপনী ব্যৱহাৰ কৰি অংকন কৰা সৰু ঠাই এখনৰ চিত্ৰই হ’ল নক্সা ।

**( খ ) খালী ঠাই পূৰ কৰা –**

১। ……………. হ’ল বহুতাে মানচিত্ৰৰ সমষ্টি ।

**উত্তৰঃ** ভূচিত্ৰাৱলী ।

২। …………….. নামৰ যন্ত্ৰৰ দ্বাৰা দিশ নিৰ্ণয় কৰা হয় ।

**উত্তৰঃ** কম্পাছ ।

৩। মানচিত্ৰত পৰ্বত – পাহাৰ আদি দেখুৱাবলৈ ……………. ৰঙটো ব্যৱহাৰ কৰা হয় ।

**উত্তৰঃ** মুগা বা মটীয়া ৰঙটো ।

৪। …………….. ত মাপনী ব্যৱহাৰ কৰা নহয় ।

**উত্তৰঃ** আৰ্হিচিত্ৰত ।

৫। কম্পাছৰ চুম্বকীয় কাঁটা সদায় উত্তৰ ……………… হৈ থাকে ।

**উত্তৰঃ** দক্ষিণ ।

**( গ ) তলৰ প্ৰশ্নবাােৰৰ চমুকৈ উত্তৰ দিয়া ।**

**প্ৰশ্ন ১। প্ৰাকৃতিক মানচিত্ৰ কাক বাােলে ?**

**উত্তৰঃ** যি মানচিত্ৰত এখন দেশ বা এটা অঞ্চলৰ বা গাােটেই পৃথিৱীৰ মূল পৰ্বত , নদী , উদ্ভিদ আদিৰ ভৌগাােলিক তথ্যসমূহ দেখুওৱা হয় তেনে মানচিত্ৰক প্ৰাকৃতিক মানচিত্ৰ বাােলে ।

**প্ৰশ্ন ২। ৰাজনৈতিক মানচিত্ৰ কাক বাােলে ?**

**উত্তৰঃ** যি মানচিত্ৰত দেশ , মহাদেশ , ৰাজ্য , জিলা আদিৰ চাৰিসীমা , ৰাজধানী , প্ৰধান ঠাই আদি দেখুওৱা হয় , তেনে মানচিত্ৰক ৰাজনৈতিক মানচিত্ৰ বাে‌লে ।

**প্ৰশ্ন ৩। বিষয়ভিত্তিক মানচিত্ৰ কাক বাে‌লে ?**

**উত্তৰঃ** যি মানচিত্ৰত বিশেষ বিষয় যেনে — জনসংখ্যা ঘনত্ব , ৰে’ল যাতায়াত , বৃষ্টিপাত , উদ্যোগ আদি বিশেষভাৱে এটা বিষয় অংকন কৰা হয় তেনে মানচিত্ৰক বিষয়ভিত্তিক মানচিত্ৰ বাে‌লে।

**প্ৰশ্ন ৪। সাধাৰণ মানচিত্ৰ কাক বাে‌লে ?**

**উত্তৰঃ** প্ৰাকৃতিক আৰু ৰাজনৈতিক তথ্যসমূহ একেলগে দেখুওৱা মানচিত্ৰক সাধাৰণ মানচিত্ৰ বাে‌লে ।

**প্ৰশ্ন ৫। মানচিত্ৰ অংকন কৰিবলৈ কি কি উপাদান প্ৰয়াে‌জন হয় ?**

**উত্তৰঃ** মানচিত্ৰ অংকন কৰিবলৈ প্ৰয়াে‌জন হাে‌ৱা উপাদানসমূহ হ’ল— দূৰত্ব , দিশ আৰু সাংকেতিক চিহ্ন ।

**প্ৰশ্ন ৬। ভূগাে‌ল অধ্যয়নৰ কেইবিধমান আহিলাৰ নাম লিখা ।**

**উত্তৰঃ** ভূগাে‌ল অধ্যয়নৰ আহিলাসমূহ হ’ল— মেপ , আৰ্হিচিত্ৰ , গাে‌লক , ভূচিত্ৰাৱলী , নক্সা ইত্যাদি ।

**প্ৰশ্ন ৭। চমুটোকা লিখা –**

**( ক ) আৰ্হিচিত্ৰ** ।

**উত্তৰঃ** মাপনীৰ সহায় নাে‌লাে‌ৱাকৈ কোনাে‌ এটা অঞ্চলত ক’ত কি আছে সেইবাে‌ৰ দেখুৱাই কাগজত অংকন কৰা চিত্ৰকে আৰ্থিচিত্ৰ বাে‌লে । এনে চিত্ৰ অংকন কৰাে‌তে একোখন ঠাইৰ ক’ত কি আছে মনত ৰাখি অনুমান আৰু সাধাৰণ ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰি অংকন কৰা হয় ।

**( খ ) নক্সা ।**

**উত্তৰঃ** মানচিত্ৰত ডাঙৰ মাপনী ব্যৱহাৰ কৰি অংকন কৰা সৰু ঠাই এখনৰ চিত্ৰই হ'ল নক্সা । সাধাৰণতে ঘৰ – দুৱাৰৰ আৰ্হি বা কোনো চৌহদত থকা ঘৰ – দুৱাৰবোৰ নক্সাৰ সহায়ত দেখুওৱা হয়।

**( গ ) মাপনী ।**

**উত্তৰঃ** ভূ – পৃষ্ঠৰ দুখন ঠাইৰ মাজৰ দূৰত্ব আৰু মানচিত্ৰৰ সেই ঠাই দুখন বুজোৱা বিন্দু দুটাৰ মাজৰ দূৰত্বৰ অনুপাতেই হ'ল মাপনী । এখন ডাঙৰ ঠাই যেনে— ৰাজ্য , দেশ আদি আঁকিবলৈ সৰু মাপনী ব্যৱহাৰ কৰা হয়। আনহাতে সৰু অঞ্চল যেনে— এখন গাঁও ,এটা চুবুৰি আদি আঁকিবলৈ ডাঙৰ মাপনী ব্যৱহাৰ কৰা হয় । মাপনীৰ অবিহনে মানচিত্ৰ শুদ্ধ ৰূপত আঁকিব নোৱাৰি ।